(৩)

# শ্ৰীদেৱানন্দ ভৰালী

## : চমু পৰিচয়

শ্ৰীহৰিপ্ৰসাদ নেওগ

**অসম সাহিত্য সভাই আনুষ্ঠানিকভাৱে যোৰহাটৰ লব্ধ-প্ৰতিষ্ঠ সাহিত্যিক আৰু ভাষাতত্ত্ববিদ শ্ৰীদেৱানন্দ ভ'ৰালীক আজি সম্বৰ্দ্ধনা জনাব। সেই উপলক্ষ্যে কেইটিমান প্ৰবন্ধ আগবঢ়োৱা হ'ল।**

অসমীয়া ভাষা সাহিত্যৰ এগৰাকী নিষ্ঠাবান সেৱক শ্ৰীদেৱানন্দ ভ'ৰালীক—বিৰাশী বছৰীয়া বয়সত অসম সাহিত্য সভাই সাদৰ অভিনন্দন জনাইছে। অসমৰ এখন প্ৰাচীন নগৰ—যোৰহাট বৰ্তমান তেওঁৰ বাসস্থল আৰু কৰ্মস্থল।— এই যোৰহাটতেই ১৯২৬ চনত চাকৰী জীৱনৰ পৰা অৱসৰ লৈ শ্ৰীভ'ৰালীয়ে নিগাজীকৈ থাকিবলৈ লয় আৰু অসমীয়া ভাষা সাহিত্যৰ প্ৰতিনিধিমূলক একমাত্ৰ অনুষ্ঠান অসম সাহিত্য সভাৰ লগতো জড়িত হৈ পৰে। সেয়েহে যোৰহাটত শ্ৰীভ'ৰালীক দিয়া অভিনন্দনৰ বিশেষ তাৎপৰ্য্য আছে।

শ্ৰী...নন্দ ভ'ৰালীৰ উন্নত বংশগত পৰম্পৰা আছে। তেওঁৰ ককাদেউতাক °পৰমানন্দ ভ'ৰালী ১৮৫৭ ইং চনতে এ...স পৰীক্ষাত উত্তীৰ্ণ হোৱা ইংৰাজী শিক্ষাৰে শিক্ষিত কেইজনমানৰ ভিতৰতে এজন আছিল। °হেমচন্দ্ৰ বৰুৱাই তেওঁৰ নাম উল্লেখ কৰি থৈ গৈছে,— শ্ৰীভ'ৰালীৰ দেউতাক °ঈশানন্দ ভ'ৰালী °জগন্নাথ বৰুৱা, °ৰাধাকান্ত সন্দিকৈ আদি সেই সময়ত কলিকতাত বি-এ মহলাই পঢ়াসকলৰ ভিতৰত অন্যতম আছিল। °ঈশানন্দ ভ'ৰা-

বি-এ মহলাই পঢ়াসকলৰ ভিতৰত অন্যতম আছিল। °ঈশানন্দ ভ'ৰা-

লীয়ে—প্ৰাকৃতিক ভূগোল নামৰ এখন বৃহৎ পুথি ১৮৭৭ চনতে ছপাই উলিয়াইছিল। সেই সময়তে °ৰাধাকান্ত সন্দিকৈয়েও 'পদাৰ্থ' বিজ্ঞান পুথি উলিয়াইছিল। বিজ্ঞানৰ বিষয়সমূহ অসমীয়া ভাষাত প্ৰচাৰ কৰাত এখেতসকলেই বাটকটীয়া আছিল। °ঈশানন্দ ভ'ৰালীৰ ডিব্ৰুগড় হাইস্কুলত দ্বিতীয় শিক্ষক হিচাপে কাম কৰি থকা অৱস্থাতে অকালতে মৃত্যু হয়। শ্ৰীভ'ৰালীৰ জন্মৰ সময়ত ককাক °পৰমানন্দ ভ'ৰালীয়ে শিৱসাগৰ সদৰ কাছাৰীৰ "হেড ক্লাৰ্ক" পদৰ পৰা অৱসৰ লৈছিল। নিচেই বাল্যাৱস্থাতে দেউতাকক হেৰুৱা শ্ৰীভ'ৰালীয়ে ককাকৰ তত্ত্বাৱধানত থাকি ডাঙৰ হয় আৰু শিক্ষা লাভ কৰে। তেওঁ ১৯০০ চনত এণ্ট্ৰেন্স, ১৯০২ত আই-এ আৰু ১৯০৪ চনত বি-এ ডিগ্ৰী লয়। ১৯০৬ চনত তেওঁ চব্‌ডেপুটী কলেক্টৰ পদত সোমাই ১৯২৬ চনত তাৰ পৰা অৱসৰ লয়।

শ্ৰীভ'ৰালীক সকলোৱে এগৰাকী 'সহজ সৰল জীৱন যাত্ৰা আৰু উচ্চ চিন্তাৰ' পৰিপোষক বুলিয়েই জানে। অনাড়ম্বৰ পৰিৱেশত তেওঁ কেৱল অধ্যয়ন আৰু গৱেষণামুখী দৃষ্টিভংগী লৈয়েই গোটেই জীৱন অতিবাহিত কৰিছে। ছাত্ৰ জীৱনৰ পৰাই তেওঁ সাহিত্য চৰ্চ্চা কৰে। °পদ্মনাথ গোহাঞিবৰুৱাৰ 'উষা' আৰু ডিব্ৰুগড়ৰ পৰা ওলোৱা মাহেকীয়া কাকত 'আলোচনীত' তেওঁ বোলে প্ৰথমে লিখিবলৈ লয়। 'আলোচনী'ত তেওঁ 'মিৰি' ছদ্ম নামত ভালেখিনি কবিতা লিখে। ইংৰাজী সাহিত্যৰ এজন ভাল ছাত্ৰ হিচাপে তেওঁ মহাকবি ছেক্সপীয়েৰৰ 'মেকবেথ' নাটকৰ অসমীয়া অনুবাদ উলিয়াইছিল। ১৯১৬ চনতে প্ৰকাশ হোৱা 'ভীম-দৰ্প' নামৰ সেই নাটকখনৰ স্থান সম্ভৱ ভ্ৰমৰংগৰ পিচতে হব। কবি আৰু নাট্যকাৰৰ বিচাৰত তেওঁৰ আৰু দুখন পুথিৰ কথা উল্লেখ কৰিব লাগিব—সেই দুখন হল ১৯৪৫ত প্ৰকাশিত "শ্ৰীশংকৰদেৱ নাটক" আৰু ১৯৪০ত প্ৰকাশিত 'আদি পুৰাণ'।

প্ৰকাশিত "শ্ৰীশংকৰদেৱ নাটক" আৰু ১৯৪০ত প্ৰকাশিত 'আদি পুৰাণ'।

এই "আদিপুৰাণ" নামৰ ছন্দকাব্যখনত তেওঁৰ মৌলিক দাৰ্শনিক চিন্তাধাৰা প্ৰকাশ কৰিছে অমিত্ৰাক্ষৰ ছন্দৰ ৰচনাত তেওঁৰ বিশেষ বৰঙণি আছে—কাৰণ 'ভীমদৰ্প' নাটকখনো তেখেতে অমিত্ৰাক্ষৰ ছন্দতেই লিখিছিল।

কিন্তু শ্ৰীভ'ৰালীৰ সাহিত্যিক হিচাপে এয়া অজ্ঞাত পৰিচয়হে। তেওঁক কবি বা নাট্যকাৰ হিচাপে হয়তো অনেকেই নাজানে—জানে মাত্ৰ এগৰাকী ভাষাতত্ত্ববিদ হিচাপে।

১৯০৮ চনতে তেখেতে Assamese Grammar in English নামৰ অসমীয়া ভাষাৰ ব্যাকৰণৰ পুথি এখন ইংৰাজীতে লিখি প্ৰকাশ কৰে। তেওঁ আমাক কোৱা মতে এইখন পুথি হেনো বহুতো ইংৰাজ বিষয়াৰ অনুৰোধত লিখিছিল। এই পুথিখনে অসমীয়া ভাষাৰ পৰিচয়—বাহিৰত সদৰি কৰে আৰু ইংৰাজী জনা অসমৰ বাহিৰৰ লোকসকলৰ ওচৰত অসমীয়া ভাষাৰ পৰিচয় দাঙি ধৰাত সহায় কৰে। ভাষাতত্ত্বৰ মাজত সোমাই— উন্নত গৱেষণাৰ মাজেদি শ্ৰীভ'ৰালীয়ে ১৯১৩ চনত "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" পুথি প্ৰণয়ন কৰি প্ৰকাশ কৰে। এইখনেই শ্ৰীভ'ৰালীৰ সৰ্বশ্ৰেষ্ঠ যুগমীয়া গ্ৰন্থ। তেওঁ অসমীয়া ভাষাতত্ত্বৰ গৱেষণাৰ পথ মুকলি কৰে—মৌলিক বিচাৰ গ্ৰন্থৰ মাজেদিয়েই। — °লক্ষ্মীনাথ বেজবৰুৱাই সম্ভৱ সেই কাৰণেই এই গ্ৰন্থখন সেই সময়ৰ 'যুগমীয়া গ্ৰন্থ' বুলি অভিহিত কৰিছিল। এই পুথিত অসমীয়া ভাষা মূল 'উদ্ভৱ' বিকাশ —তদুপৰি ধ্বনিতত্ত্ব উচ্চাৰণ ৰীতি আদি সকলো বিষয়— বৈজ্ঞানিক ভাবে উপস্থাপন কৰা হৈছে।

(পাচ পিৰ্চত চাওক)

°গোস্বামীয়ে সাহিত্য সভাৰ বিতোপন ঘৰ-দুৱাৰ কম্পাউণ্ড আদি সাজি উলিয়ায়। ঘৰটোৰ চকী-মেজ আদিও °সন্দিকৈয়ে দিয়ে। পিচত ১৯৩৩ চনত চন্দ্ৰকান্ত অভিধানো প্ৰকাশ হৈ ওলায়।

**ভৱন উদ্বোধন কৰি তেতিয়াৰ গভৰ্ণৰ চাৰ জন কাৰে কৈছিল, "এজন অসমীয়া পিতৃয়ে তেওঁৰ অসমীয়া পুত্ৰৰ নাম স্মৰণীয় কৰি ৰাখিবৰ কাৰণে ইয়াতকৈ আৰু সু-উপায় উলিয়াব নোৱাৰে। আগ্ৰহান্বিত আৰু সমৰ্থবান লোকে দাতাৰ এই কাৰ্য্যত যে সহায় কৰি ইয়াক আগবঢ়াই নিব, এই অনুষ্ঠানটি এসময়ত অসমীয়া কৃষ্টিৰ যে কেন্দ্ৰ হব তাত মোৰ অকণো সন্দেহ নাই।"**

(তথ্য-পাতি শ্ৰীনকুলচন্দ্ৰ ভূঞাদেৱে লিখা 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া' কিতাপৰ পৰা লোৱা হৈছে।)